*ৰূপ লৈছিল বুলি অভিযোগ উঠে?*

ঃ ১৯৮৫ ৰ পিছত নহয়। দুৰ্নীতি বাঢ়িছিল ১৯৮৫ চনৰ আগতেই। ১৯৮৫ চনৰ পৰা দুৰ্নীতি বেছি হোৱা বুলি মই মানি ল'ব নোখোজোঁ। কোনেও যে নাই কৰা সেইটো নহয়। কিন্তু পৰিস্থিতি বেয়া হৈছিল তাৰ বহু আগতেই। দ্বিতীয়বাৰ শাসনলৈ আহিও আমি ইয়াক ৰোধ কৰিবলৈ চাইছিলোঁ আৰু সফলো হৈছিলোঁ। কিন্তু দুৰ্নীতিয়ে এতিয়া কিদৰে ছানি ধৰিছে চাওক?

*১৯) বিছ বছৰত এখন পৃথিৱী নতুনকৈ নিৰ্মাণ হয়। অসম চুক্তিৰ আজি বিছ বছৰ হৈ গ'ল। তাৰে দহ বছৰ কাল আপোনাৰ নেতৃত্বত অসম গণ পৰিষদে চৰকাৰ চলাইছিল, যি দল অসম চুক্তিক আধাৰ কৰিয়েই ক্ষমতালৈ আহিছিল। অসম চুক্তি কিমান দূৰ কাৰ্যকৰী কৰিব পাৰিছে বুলি ভাবে?*

ঃ অসম চুক্তিৰ কিছু Implement হৈছে। ধৰক Border Road, Border Fancing আৰু Economic Development ৰ কাম হৈছে। কিন্তু যি ধৰণেৰে হ'ব লাগিছিল বিদেশী বিতাৰণৰ কাম সেয়া হৈ উঠা নাই কেন্দ্ৰৰ গৃহ দপ্তৰৰ বাবে। গৃহ দপ্তৰৰ উপযুক্ত সঁহাৰিৰ অবিহনে এই কাম সম্ভৱ নহয় আৰু এই ক্ষেত্ৰত সঁহাৰি আমি পোৱা নাই। দ্বিতীয় কাৰণটো Insurgency ৰ সমস্যাটো। ই সকলোকে Divert কৰি ৰাখিলে। আজি দিনটোত ক'ত কিমান বোমা ফুটিল, কিমান মানুহ মৰিল সেইটোহে media ৰ Head-line হৈ পৰিল। গতিকে মূল issue টো তল পৰিল। অসমৰপৰা কেইজন বিদেশী ওলাই গ'ল, কেইজন সোমাল সেই বিষয় লৈ কোনো Concern নহয় আজি। গতিকে মূল বিষয় বা সমস্যাটো বাধাগ্ৰস্ত হৈ পৰিল। আনহাতে যদি Legaly চোৱা যায় যে এজন বিদেশী অসমত সোমাল তেওঁক Deport কৰাৰ যিটো System Identification ৰ পাছত, যদি ট্ৰিবিউনেলে তেওঁক বিদেশী বুলি কয় তেওঁ উচ্চ ন্যায়ালয়ত আবেদন কৰিব পাৰে, তাৰ পিছত উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰে। আৰু তেওঁক যদি Fromally Deport কৰিবলৈ ওলোৱা যায় তেনেহ'লে ভাৰত চৰকাৰে বাংলাদেশ চৰকাৰৰ সৈতে কথা পাতিব লাগিব আৰু বাংলাদেশ চৰকাৰে তেওঁক গ্ৰহণ কৰিব লাগিব, যিটো বাংলাদেশ চৰকাৰে নকৰে। গতিকে বহুক্ষেত্ৰত বেলেগ পদ্ধতিৰে পঠিয়াব লগীয়া হয়, যিটো চৰকাৰে Disclose কৰিব নোৱাৰে। এনে বহুতো সমস্যাৰ বাবে সম্পূৰ্ণ সফলতা পাব পৰা হোৱা নাই।

*২০) আপোনাৰ শাসনকালৰ অন্ধকাৰময় দিশটো হ'ল গুপ্তহত্যাৰ ঘটনা। মুখ্যমন্ত্ৰী হিচাপে ইয়াৰ ৰাজনৈতিক দায়িত্ব স্বীকাৰ কৰিবনে?*

ঃ কোনো চৰকাৰে গুপ্তহত্যাৰ পোষকতা নকৰে। কিন্তু অসমত বহুতো মানুহে নিজৰ পৰিয়ালৰ মানুহ হেৰুৱালে। যিসকলে নিজৰ পৰিয়ালৰ মানুহ হেৰুৱাইছে সেইসকলৰ বেদনাটো সেইসকল মানুহেও উপলব্ধি কৰাটো উচিত যিসকলে Secret killing ত নিজৰ মানুহ হেৰুৱালে। তেওঁলোকে নিজৰটো বুজিছে ঠিকেই, কিন্তু বাকীসকলৰ বেদনাটো বুজিছেনে নাই? Insurgency group ৰ হাততো বহু হাজাৰ মানুহ মৰিল! আৰু কেন্দ্ৰৰ policy হৈছে তেওঁলোকে কেতিয়াও ভাৰতবৰ্ষৰ কোনো অংশ ভাৰতবৰ্ষৰপৰা আঁতৰি যোৱাটো নিবিচাৰে। গুপ্তহত্যাৰ নামত আমাৰ চৰকাৰক যি দোষ দি আছে সেয়া সত্য নহয়।

*২১) আপুনি কিন্তু এবাৰ কৈছিল গুপ্তহত্যা সম্পৰ্কত আপুনি মুখ খুলিলে বহুতৰ মুখা খোল খাই যাব?*

ঃ নাই, সেইটো মই কোৱা নাই। মই কৈছিলোঁ যে কোনো চৰকাৰে গুপ্তহত্যাৰ পোষকতা নকৰে। কিন্তু বিভিন্ন ঘটনা সেই সময়ত ঘটিছিল। হিতেশ্বৰ শইকীয়াৰ দিনতো ঘটিছিল। কোনোবাই কাৰোবাৰ পৰিয়াল মাৰিছে, সেই পৰিয়ালৰ মানুহে আকৌ ওলোটাই মাৰিছে — এনেবোৰ ঘটনা বিভিন্ন চৰকাৰৰ দিনত ঘটিছে। এইটো আইনৰ কাম আৰু আমাৰ দিনত আমি সকলো কেছ ৰেজিষ্টাৰ কৰিবলৈ দিছিলোঁ, কিন্তু কংগ্ৰেছৰ দিনত এনেবোৰ কেছ ৰেজিষ্টাৰ কৰিবলৈকে দিয়া নাছিল। ১৯৯৮ চনৰপৰা আমাৰ দিনত সংঘটিত প্ৰতিটো ঘটনাৰেই কেছ ৰেজিষ্টাৰ কৰিবলৈ দিয়া হৈছিল, নিয়মমতে এনক'ৱাৰি কৰিবলৈ দিয়া হৈছিল। তাৰপিছত ২০০০ চনত তৰুণ গগৈ চৰকাৰ হ'ল। আজি তৰুণ গগৈ চৰকাৰৰ ছয় বছৰ চলি আছে। কোনেও কিন্তু তৰুণ গগৈ চৰকাৰৰ Policyৰ বিৰুদ্ধে ক'ব পাৰ নাই — অথচ তৰুণ গগৈ চৰকাৰৰ প্ৰথম পাঁচ বছৰত এইক্ষেত্ৰত একো আগ নাবাঢ়িল। জিতেন শৰ্মাই Report দিলে তেওঁলোকে গ্ৰহণ কৰা নাই; মীৰা শৰ্মা কমিছন পাতিলে, এতিয়া শইকীয়া কমিছন চলি আছে......বাকী এনক'ৱাৰি কি চলি আছে? এইটো কংগ্ৰেছৰ এটা 'ছাল', আৰু বিভিন্ন গ্ৰুপৰ লগ লাগি এইটোক এটা পলিটিকেল শ্লোগান কৰি তুলিছে।

*২২) ছয় বছৰ ছাত্ৰ সন্থাৰ সভাপতি, ১০ বছৰ অসমৰ মুখ্যমন্ত্ৰী। কোনজনৰ কাম কৰি আপুনি বেছি ভাল পাইছিল?*

ঃ Student life টো আছিল duty without responsibilityৰ। কিন্তু চৰকাৰ গঠন কৰাৰ পিছত both duty and responsibility থাকিবই লাগিব। এনে অৱস্থাত কিছুমান কৰিব পৰা যায় legally, কিন্তু কিছুমান কাম কৰিব নোৱাৰি। ইয়াত limitation থাকে। Student lifeত বহুত কাম কৰিব পাৰি পঢ়া-শুনাৰপৰা ৰাজহুৱা স্বাৰ্থত মাত মতালৈকে স্বতঃস্ফূৰ্তভাৱে।

*২৩) শেষ প্ৰশ্ন — এয়া আপোনাৰ সৈতে মোৰ তৃতীয় সাক্ষাত, প্ৰথমবাৰ লগ পাইছিলোঁ আপোনাৰ বিয়াৰ দিনা।*

*মোৰ মনত আছে। অসমৰ বিভিন্ন ঠাইৰ ৰাইজে লাৰু-পিঠা বনাই পঠিয়াইছিল আৰু তাৰে আপুনি আপোনাৰ বিয়াৰ অভ্যৰ্থনা কৰিছিল। আজি আপুনি ব্লেককেটৰ আবেষ্টনীৰ মাজত। ছাত্ৰ অৱস্থাত ৰাইজৰ মাজত থাকি আজি ৰাইজৰপৰা আঁতৰি অহাৰ কথাটো আপুনি অনুভৱ নকৰেনে?*

ঃ মাজে মাজে অনুভৱ হয়। সেই Student life টোতো আৰু ঘূৰি নাপাওঁ। এতিয়াৰ চিটুৱেচনটো ময়ো বিচৰা নাছিলোঁ। ব্লেককেটৰ আৱেষ্টনীৰপৰা আঁতৰি থাকিব পাৰিলে মই নিজেও সুখী হ'লোঁহেঁতেন, যিটো এতিয়া সম্ভৱ হৈ থকা নাই। আৰু সেই কাৰণে কেতিয়াবা নিজৰো দুখ লাগে। এটা সময় আছিল; যিটো সময়ত মোৰ ল'ৰাটো বা ছোৱালীজনীক মই ছমাহ স্কুললৈ পঠিয়াব পৰা নাছিলোঁ। কাৰণ সেই সময়ত অসমৰ পৰিস্থিতি এনেকুৱা আছিল যে প্ৰত্যেকেই আহি ক'ব আপোনাৰ ল'ৰা-ছোৱালীক স্কুললৈ নপঠিয়াব। ছমাহ স্কুললৈ নপঠোৱাকৈ ঘৰত ৰখাৰ পিছত মই মোৰ ল'ৰা-ছোৱালীক বাহিৰলৈ পঠিয়াবলৈ বাধ্য হৈছিলোঁ।

গতিকে তেনেকুৱা কিছুমান কথা থাকে যিবিলাকে আমাৰ জীৱনটো সীমাবদ্ধতাৰ মাজলৈ লৈ আহিল। মোৰ ৰাজনৈতিক জীৱনত Party Works ৰ বাবে বিভিন্নজনক মই পইচা দিবলৈ কৈছোঁ, কিন্তু কাৰোবাৰ কাম কৰি দিয়াৰ বা চাকৰি দিয়াৰ বাবে মই পইচা লৈছোঁ বুলি কোনেও ক'ব নোৱাৰিব। কিন্তু এনেকুৱা এটা ধাৰণা দি দিয়া হয় যে প্ৰফুল্ল মহন্তই পইচা নহ'লে কাম নকৰে। এনে কথাবোৰে মোৰ ব্যক্তিগত জীৱন আৰু সামাজিক জীৱন দুয়োটাকে ক্ষতিগ্ৰস্ত কৰিলে। সেইবিলাকৰ বাবে মাজে মাজে দুখো আছে, কিন্তু উপায় নাই। By Compulsion আমি ৰাজনীতিত যোগ দিছিলোঁ। আৰু ৰাজনীতিত যোগ দিয়েই যথেষ্ট বাধাৰ মুখামুখি হৈছিলোঁ। ১৯৮৫ চনত চৰকাৰ গঠন কৰাৰ ছমাহ পিছতেই আমাৰ চৰকাৰ ভংগৰ বাবে ষড়যন্ত্ৰ হৈছিল। গতিকে চৰকাৰ ৰখাৰ চেষ্টাও কৰিব লগা হ'ল। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যপালক লৈ, বিভিন্ন জনগোষ্ঠীৰ মাজত বিভেদকামী ব্যক্তিক সুমুৱাই আমাক দুৰ্বল কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। গতিকে মই ক'ব খোজোঁ ৰাজ্য আৰু কেন্দ্ৰৰ মাজত ক্ষমতাৰ বিভাজনটো স্পষ্ট নোহোৱালৈকে ৰাজ্য চৰকাৰে Suffer কৰি থাকিব লাগিব।

# আলোচনা ঃ অসম আন্দোলনৰ অন্যতম দিশ

— নিৰু হাজৰিকা —



মানৱ সমাজৰ সমস্যা সমাধানত অতীজৰেপৰাই আলোচনা প্ৰক্ৰিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে, বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰত আলোচনা এক শক্তিশালী মাধ্যম ৰূপে পৰিলক্ষিত হোৱা দেখা যায়। কিয়নো আলোচনাই সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰি তোলে, প্ৰভাৱগোষ্ঠীসমূহে এনে ধৰণৰ আলোচনাৰ জৰিয়তে চৰকাৰৰ নীতিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা সকলোৰে দৃষ্টিগোচৰ হৈছে। আলোচনা এক গণতান্ত্ৰিক মাধ্যম। অসমত ছাত্ৰ সন্থাই গঢ়ি তোলা ছবছৰীয়া আন্দোলনতো এই প্ৰক্ৰিয়াই অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ আৰু নেপালৰপৰা অসংৰক্ষিত সীমায়েদি অহা লক্ষাধিক বিদেশী অসমত প্ৰবেশ কৰি অসমবাসীৰ ভাষা-ধৰ্ম-বৰ্ণ-সংস্কৃতি আৰু ভূমিৰ সংকটৰ যি সৃষ্টি কৰিছে সেই কথা আঙুলিয়াই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত ১৯৭৯ চনৰ ৮ জুন তাৰিখে 'অসম বন্ধ' কাৰ্যসূচীৰে অসমৰপৰা বিদেশী বহিষ্কাৰ কৰাৰ দাবীত অসম আন্দোলনৰ পাতনি মেলে।

ছাত্ৰ সন্থাৰ দাবীত অকুণ্ঠ সমৰ্থন আগবঢ়াই জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে অসমবাসীসকলে নিজৰ শক্তি অনুযায়ী অসম আন্দোলনৰ অংশীদাৰ হৈ পৰিল। আন্দোলনৰ নেতৃবৃন্দৰ হাত শক্তিশালী কৰাৰ উদ্দেশ্য আগত ৰাখি ১৯৭৯ চনৰ ২৭ আগষ্টত অসমৰ সচেতন নাগৰিকসকলে সংঘবদ্ধ হৈ আন্দোলনত এক বলিষ্ঠ পদক্ষেপ আগবঢ়ায়।

মহাত্মা গান্ধীৰ আদৰ্শৰে আন্দোলনৰ নেতাদ্বয় আদৰ্শান্বিত হৈ আন্দোলনৰ প্ৰতি পৰ্যায়তে শান্তি আৰু অহিংস নীতিৰ আধাৰত কাৰ্যসূচী গঢ়ি তোলাত যত্নপৰ



OKDISCD

আছিল। আন্দোলনৰ প্ৰধান উদ্দেশ্য আছিল অবৈধ বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বহিষ্কৰণ কৰা আৰু ভোটাৰ তালিকাৰপৰা বিদেশী নাগৰিকৰ নাম কৰ্তন কৰি সংসদ আৰু বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা।

এইখিনিতে প্ৰশ্ন হয়, আন্দোলনৰ উৎস কি? ৰাজনৈতিক ক্ষমতাই আন্দোলনৰ প্ৰধান উৎস বুলি ক'ব পাৰি, যদিও নিবনুৱা, অৰ্থনৈতিক অনগ্ৰসৰতা, ভূমি সমস্যা, অৱহেলা আৰু শোষণ কাৰ্যই এই আন্দোলন শক্তিশালী কৰি তোলাত অৱদান আগবঢ়ায়, অসমৰ মঙ্গলদৈ সমষ্টিক প্ৰতিনিধিত্ব কৰা সাংসদ হীৰালাল পাটোৱাৰীৰ আকস্মিক মৃত্যুত উক্ত সমষ্টিত উপ-নিৰ্বাচন অনিবাৰ্য হৈ পৰে, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দিনৰপৰাই গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, শৰৎ চন্দ্ৰ সিংহ আদি প্ৰভাৱশালী ব্যক্তিৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছে অসমত একচেটীয়া শাসন চলাই আহিছিল। কিন্তু ১৯৭৮ চনৰ ১২ মাৰ্চত গোলাপ বৰবৰাৰ নেতৃত্বত পোন প্ৰথমবাৰৰ বাবে জনতা দলে অসমত শাসন চলাবলৈ সক্ষম হয়। বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈ থকা বিষয়টো এই চৰকাৰেই আঙুলিয়াই দিয়ে। ভোটাৰ তালিকা সংশোধন কৰি থকা সময়ত প্ৰায় ৭০,০০০ হাজাৰ নাম বিতৰ্কিত হৈ পৰে আৰু ৪৫,০০০ হাজাৰ ভোটাৰক বিদেশী অথবা সন্দেহজনক ভোটাৰ হিচাপে কোৱা হয়। এই বিষয়টো সকলো ৰাজনৈতিক দলে সহজভাৱে ল'ব পৰা নাছিল, কিয়নো ক্ষমতা আহৰণত ই বহু ধৰণে ব্যাঘাত জন্মোৱাৰ আশঙ্কা সেই দলসমূহে পোষণ কৰিছিল।

উক্ত ৰাজনৈতিক পৰিৱেশতেই গঢ় লৈ উঠিছিল অসম আন্দোলন সকলো শ্ৰেণীৰ জনসাধাৰণৰ স্বতস্ফূৰ্ত সঁহাৰি লাভ কৰি আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষ তথা অন্যান্য ৰাষ্ট্ৰৰো দৃষ্টি আকৰ্ষণ কৰাই নহয় অসম আৰু ভাৰত চৰকাৰৰ সন্মুখত ই এক ভয়াবহ প্ৰত্যাহ্বান ৰূপেও থিয় দি উঠে। এই প্ৰত্যাহ্বানে এখন এখনকৈ গোলাপ বৰবৰা, যোগেন্দ্ৰ নাথ হাজৰিকা, চৈয়দা আনোৱাৰ টাইমূৰ আৰু কেশৱ চন্দ্ৰ গগৈৰ চৰকাৰ ওফৰাই দি ১৯৭৯, ১৯৮১ আৰু ১৯৮২ চনত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰিবলৈ বাধ্য কৰে।

বিদেশী নাগৰিক বহিষ্কাৰ কৰা আন্দোলনত সদৌ অসম ছাত্ৰ সন্থাৰ লগত একেলগে অংশীদাৰ ৰূপে আছিল পূৰ্বাঞ্চলীয় লোক পৰিষদ, জাতীয়তাবাদী দল, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, যুৱ উকিল সন্থা, অসম সাহিত্য সভা আৰু আন আন বহু সন্থা আৰু ব্যক্তি।

অসম আন্দোলনৰ সকলো সহযোগী সংগঠনৰ নেতৃস্থানীয় ব্যক্তিক লৈ অসম গণ সংগ্ৰাম পৰিষদ এখন গঠন কৰা হয়। ইয়াৰ মূল সদস্যসকল আছিল — প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, ললিত চন্দ্ৰ ৰাজখোৱা, নিবাৰণ বৰা, নগেন শৰ্মা, গিৰীন বৰুৱা, যতীন গোস্বামী, কুমুদ নাথ শৰ্মা ইত্যাদি।

আন্দোলনত জ্বলি উঠা অগ্নি শিখাই অসমৰ আকাশ পোহৰাই তুলিলে আৰু এই পোহৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ মুক্তি-যুঁজাৰু, মহিলা, শিক্ষক, কৰ্মচাৰী আদিকো আকৰ্ষিত কৰি তোলা দেখা যায়।

ছাত্ৰ সন্থাই ভাৰতৰ সংবিধানৰ আধাৰত বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰাৰ বাবে চৰকাৰক হেঁচা দিবলৈ ধৰে আৰু এইখিনিতেই প্ৰয়োজন হৈ পৰে আলোচনা প্ৰক্ৰিয়াৰ। আলোচনাই যে সমস্যাটোৰ সমাধানৰ পথ প্ৰদৰ্শন কৰিব সেই কথা কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰে, ১৯৮০ চনলৈকে চৰকাৰ আৰু আন্দোলনৰ নেতৃবৃন্দৰ মাজত ১৯ লানি আলোচনা হয়। ইয়াৰ পিছতো বহুবাৰ আলোচনা অনুষ্ঠিত কৰিব লগীয়া হৈছিল ১৯৮৫ চনলৈকে।

আলোচনা প্ৰক্ৰিয়াৰ বিষয়ে ক'বলৈ যাওঁতে কেইটামান মূল বিষয় উল্লেখ কৰিব পাৰি। আন্দোলনৰ মূল কাৰণ শিক্ষিতসকলৰ মাজত দেখা দিয়া নিবনুৱা সমস্যাটো বুলি চিহ্নিত কৰিছিল সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে। গোৰোখপুৰ আৰু দিল্লীত দিয়া ৰাজহুৱা ভাষণতে গান্ধীয়ে এই ধাৰণা ব্যক্ত কৰে আন্দোলনৰ প্ৰথম পৰ্যায়ত। ১৯৮০ চনৰ ফেব্ৰুৱাৰি মাহৰ শেষৰ ফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী জাইল সিঙে ছাত্ৰ সন্থাৰ সৈতে বিষয়টো আলোচনা কৰে, কিন্তু সেই আলোচনাই দুয়োপক্ষৰ মাজত মনোমালিন্যৰহে সৃষ্টি কৰিছিল। ফলস্বৰূপে ১৯৮০ চনৰ ৩ মাৰ্চত ইন্দিৰা গান্ধীয়ে আলোচনাৰ বাবে ছাত্ৰ সন্থাক দিল্লীলৈ আমন্ত্ৰণ জনায়। ৭ মাৰ্চ তাৰিখে উক্ত আলোচনা আৰম্ভ হয়। এই আলোচনা এঘন্টাজুৰি হৈছিল আৰু ইয়াৰ অন্তত সদৌ অসম গণ সংগ্ৰাম পৰিষদক আলোচনাৰ বাবে নিমন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীক ছাত্ৰ সন্থাই অনুৰোধ জনায়। সেই মৰ্মে কেন্দ্ৰীয় চৰকাৰে পৰিষদলৈ নিমন্ত্ৰণ দিয়ে। নিবাৰণ বৰাৰ নেতৃত্বত ৮ জনীয়া দল এটা দিল্লীত উপস্থিত হয়গৈ আলোচনাত ভাগ লোৱাৰ উদ্দেশ্যে। ১১ মাৰ্চত সংগ্ৰাম পৰিষদৰ নেতৃবৃন্দক সামৰি আলোচনা আৰম্ভ হ'ল। সংবিধানৰ ভিত্তিত অসমৰ সাংস্কৃতিক অস্তিত্ব ৰক্ষা আৰু অনুপ্ৰৱেশৰ সমস্যাটো সমাধান কৰা হ'ব বুলি কেবিনেট সচিব কাপুৰে ঘোষণা কৰে।

১৯৮০ চনতেই আকৌ অসমৰ ৰাজ্যপাল এল. পি. সিঙে ছাত্ৰ সন্থাক ছিলঙলৈ নিমন্ত্ৰণ কৰি বিদেশী চিনাক্তকৰণ সময় সীমা ১৯৬৭ চনেই হ'ব লাগে বুলি মানি ল'বলৈ ছাত্ৰ সন্থাক অনুৰোধ কৰে। কিন্তু ছাত্ৰ সন্থাই সেই অনুৰোধৰ প্ৰতি সঁহাৰি নজনালে। পুনৰ ১২ অক্টোবৰত আলোচনা হয় যদিও কোনো সু-ফল পোৱা নগ'ল।

১৯৮০ চনৰ ২ ডিচেম্বৰত দিল্লীত পুনৰ ত্ৰি-পাক্ষিক আলোচনা হয়। ভাৰতৰ সংবিধান আৰু সংশ্লিষ্ট আইনৰ আধাৰত বিদেশী নাগৰিকৰ চিনাক্তকৰণ হ'ব লাগে বুলি আলোচনাত মত প্ৰকাশ কৰা হয়। ইতিমধ্যে আকৌ অসমৰ ৰাজনীতিত এক নতুন সমস্যাই দেখা দিয়ে। কিয়নো ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ উকলি যোৱাত আনোৱাৰা টাইমূৰৰ নেতৃত্বত কংগ্ৰেছ (ই) চৰকাৰে ১৯৮০ চনৰ ৬ ডিচেম্বৰত শাসনভাৰ গ্ৰহণ কৰে।

১৯৮১ চনৰ ১৮ মে তাৰিখে পুনৰ আলোচনা অনুষ্ঠিত হয়। এইবাৰ আলোচনাত কেন্দ্ৰই স্পষ্ট ভাষাত কয় যে ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত অহা অনুপ্ৰৱেশকাৰীক অসমতেই ৰখা হ'ব। ১৯৬১ চনটো বিদেশী বহিষ্কাৰ কৰাৰ সময় সীমা হ'ব লাগে বুলি আগবঢ়োৱা ছাত্ৰ সন্থাৰ প্ৰস্তাৱটো কেন্দ্ৰই অগ্ৰাহ্য কৰে। কিন্তু সীমাত কাঁটা তাঁৰৰ বেৰ দিব লাগে বুলি উভয়পক্ষই মত পোষণ কৰে।

ইয়াৰ পিছত কেবিনেট সচিব কৃষ্ণস্বামী ৰাও চাহাব আৰু আন্দোলনকাৰীৰ মাজত অনা-আনুষ্ঠানিকভাৱে ছিলঙত আলোচনা হয়। তাৰোপৰি মণিপুৰৰ মুখ্যমন্ত্ৰী আৰ. কে. ডৰেন্দ্ৰ সিঙৰ তৎপৰতাত ইম্ফলত কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ মুখ্য বিষয়াসকলৰ সৈতেও ছাত্ৰ নেতাসকল আলোচনাত বহে।

পুনৰ ১৯৮১ চনৰ ১৮ আগষ্টত দিল্লীত আলোচনা অনুষ্ঠিত হয়। এই আলোচনা পাঁচদিন ধৰি হৈছিল। এই আলোচনাত ভগনীয়া আৰু বে-আইনী অনুপ্ৰৱেশকাৰীৰ মাজৰ পাৰ্থক্য লৈ দুয়োপক্ষৰ মাজত বিতৰ্কৰ সৃষ্টি হয়। পূব-পাকিস্তানৰপৰা অহা সংখ্যালঘু অনুপ্ৰৱেশকাৰীক ভগনীয়া আখ্যা দিয়াৰ পোষকতা কৰে কেন্দ্ৰীয় চৰকাৰে। কিন্তু ছাত্ৰ নেতাসকলে এই মতৰ বিৰোধিতা কৰে। তাৰোপৰি উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তই শেষ সিদ্ধান্ত হ'ব লাগে বুলি মত পোষণ কৰে। ৰেচন কাৰ্ড, চালকৰ প্ৰমাণ পত্ৰ আদিৰ আধাৰত অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰিব খোজা প্ৰচেষ্টাৰ প্ৰতিও ছাত্ৰবৃন্দই সঁহাৰি নজনালে।

এইদৰে আলোচনাসমূহ বাৰে বাৰে বিফল হোৱাৰ প্ৰতি দৃষ্টি ৰাখি বিৰোধী দলসমূহে বিদেশী নাগৰিকৰ সমস্যাটো সংবিধানৰ ভিত্তিত সমাধানৰ সূত্ৰ স্পষ্ট কৰি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান কৰে।

১৯৮১ চনৰ ২৯ অক্টোবৰত পুনৰ দিল্লীত আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত কেইটামান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা পৰিলক্ষিত হয় —

(১) অসম-বাংলাদেশ সীমান্তৱৰ্তী এটা পথ নিৰ্মাণ কৰা।

(২) পথটো সীমাৰ মাজৰ ভূ-খণ্ডৰ মাজত কোনো ব্যক্তিক বসতি কৰিবলৈ অনুমতি প্ৰদান নকৰা।

উক্ত আলোচনাত নাগৰিকত্ব আইনৰ ৩(২) নং অনুচ্ছেদৰ সংশোধনেও স্থান পায়। এই অনুচ্ছেদটো জন্মস্বত্ব, আন্তৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় দায়বদ্ধতা, মানৱীয় দৃষ্টিভংগী আদিৰ সৈতে নাগৰিকত্ব নিৰ্ধাৰণৰ বিষয়টো সম্বন্ধিত হৈ আছে।

১৯৮২ চনৰ ১৩ জানুৱাৰিত কেশৱ চন্দ্ৰ গগৈৰ নেতৃত্বত দিছপুৰত এখন নতুন চৰকাৰ গঠন হয়। এই চৰকাৰৰ সহযোগত ১৮ জানুৱাৰিত পুনৰ ত্ৰি-পাক্ষিক বৈঠক এখন দিল্লীত অনুষ্ঠিত হয়। এই আলোচনাৰ এটা বৈশিষ্ট্য হ'ল বিৰোধী পক্ষক আলোচনালৈ নিমন্ত্ৰণ কৰাটো, অনুপ্ৰবেশ বন্ধ কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা কট্‌কটীয়া কৰিব লাগে বুলি আলোচনাত এটা সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেইটামান বিষয়ত চৰকাৰ আৰু বিৰোধী পক্ষৰ মাজত ঐক্যমত পোষণ কৰা দেখা যায়। সংবিধান আৰু সংশ্লিষ্ট আইনৰ ভিত্তিতেই বিদেশী চিনাক্তকৰণ হ'ব লাগে। এই ক্ষেত্ৰত ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, ১৯৫২ চনৰ ভোটাৰ তালিকা, ভূমি আৰু ৰাজহ আইনৰ আলম লোৱা হ'ব বুলিও মতামত দাঙি ধৰা হয়।

১৯৮২ চনৰ ৬ নভেম্বৰত পুনৰ ত্ৰি-পাক্ষিক আলোচনা হয়। কেন্দ্ৰই ১৯৭১ চনটোৱেই বিদেশী চিনাক্তকৰণৰ সময় সীমা হ'ব লাগে বুলি দোহাৰে। কিন্তু আন্দোলনৰ নেতৃবৃন্দই মানি নল'লে এই প্ৰস্তাৱ।

ইয়াৰ পিছতেই আৰম্ভ হৈছিল ৰাষ্ট্ৰপতি শাসনৰ অৱসান পেলাই অসমত নিৰ্বাচন অনুষ্ঠিত কৰা প্ৰক্ৰিয়া। আন্দোলনত জড়িত জনসাধাৰণৰ সকলো ধৰণৰ প্ৰতিবাদৰ প্ৰতি আওকাণ কৰি ১৯৮৩ চনত অসম বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰি কংগ্ৰেছ দলে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত ২৭ ফেব্ৰুৱাৰি তাৰিখে চৰকাৰ গঠন কৰে। অসম আন্দোলনে ভয়াবহ ৰূপ ধাৰণ কৰিলে। এফালে চৰকাৰৰ সৈতে আলোচনা আৰু আনহাতে পুলিচ, চি-আৰ-পিৰ সৈতে সংঘৰ্ষ। বিভিন্ন জনগোষ্ঠীৰ মাজত ভুল বুজা-বুজি, সন্দেহ, পাৰস্পৰিক ভয় বা সন্ত্ৰাসৰ ভাবে খোপনি পুতি ল'বলৈ আৰম্ভ কৰিলে। আন্দোলনৰ কাৰ্যসুচীৰ দুৰ্বলতা আৰু চৰকাৰী পক্ষৰ হেঁচাৰ পৰিপ্ৰেক্ষিতত যুৱকৰ এটা দলে হিংসাত্মক পথৰ প্ৰতি আকৰ্ষিত হৈ পৰিল। ছাত্ৰ নেতাৰ নেতৃত্বত বড়ো, ৰাভা, মিচিং, তিৱা, মুচলিম সম্প্ৰাদয়ৰ লোকেও সংঘবদ্ধ হৈ নিজৰ নিজৰ সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষাৰ বাবে আঁচনি প্ৰস্তুত কৰি আন্দোলনৰ পথ বাছি ল'লে।

পুনৰ আলোচনাৰ মাধ্যমৰদ্বাৰাই ১৯৮৫ চনৰ ১৫ আগষ্টৰ নিচেই পুৱাতেই আন্দোলনৰ নেতৃবৃন্দৰ সৈতে ৰাজীৱ গান্ধীৰ নেতৃত্বাধীন চৰকাৰে অসম চুক্তি স্বাক্ষৰ দান কৰি অসমত বিদেশী নাগৰিকৰ পৰিপ্ৰেক্ষিতত গঢ়ি উঠা আন্দোলনৰ অন্ত পেলোৱাৰ প্ৰচেষ্টা চলায়।

ইয়াৰ পিছতেই গোলাঘাটত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা ৰাজনৈতিক সন্মিলনে এটা নতুন আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দিয়ে। উক্ত দলটোৰ নাম হ'ল অসম গণ পৰিষদ। এই দলে ১৯৮৬ চনৰ মাৰ্চ মাহত চৰকাৰ গঠন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত। এইদৰে অসমৰ ৰাজনৈতিক জগতত এক নতুন যুগৰ সূচনা হয়।

কিন্তু ক্ৰমান্বয়ে সদৌ অসম ছাত্ৰ সন্থাৰ মূল দাবীৰ প্ৰভাৱ নিষ্ক্ৰিয় হৈ পৰা দেখা গ'ল। যদিও কাৰ্তিক হাজৰিকা, কেশৱ মহন্ত, অতুল বৰা, সৰ্বানন্দ সোণোৱাল, ড° সমুজ্জ্বল ভটাচাৰ্য্য, ড° অমিয় কুমাৰ ভূঞা, প্ৰবীণ বড়ো, তপন গগৈ আদি নেতৃবৃন্দই নিজৰ দাবীৰ ওপৰত গুৰুত্ব আৰোপ কৰি চৰকাৰক হেঁচা দিয়াত ত্ৰুটি কৰা নাই। কিন্তু অসমৰ মূল সমস্যা সমাধান অথবা অসম চুক্তি ৰূপায়ন কাৰ্য আজিও সম্পূৰ্ণ হৈ উঠা নাই।

আলোচনাই সমস্যা সমাধান কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা যে গ্ৰহণ কৰে সেই কথা নুই কৰিব নোৱাৰি। কিন্তু আলোচনাৰ জাৰিয়তে সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাটোও সমানেই গুৰুত্বপূৰ্ণ বিষয়। নহ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰে অথবা ই দিশ আৰু স্থান সলনি কৰে। এনে পৰিস্থিতিতেই জনসাধাৰণে চৰকাৰৰ ওপৰত আস্থা হেৰুৱাই আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ পৰে। ৰাজনৈতিক দলসমূহে দলীয় স্বাৰ্থ প্ৰাধান্য নিদি যদি ভাৰতবাসীৰ স্বাৰ্থ আৰু দেশৰ মাটি আৰু নিৰাপত্তাৰ প্ৰতি যদি দায়বদ্ধ হৈ পৰিলেহে সমস্যা সমাধানত আলোচনা প্ৰক্ৰিয়া ফলপ্ৰসু হ'ব বুলি আশা কৰিব পাৰি।

OKDISCD